**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 22-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**<u>HEADLINE</u>**

ooooo

১। ছুইজাৰলেণ্ডৰ ডাভ'ছত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনৰ আজি চতুৰ্থ দিনা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ স্বাস্থ্য আৰু স্বাস্থ্য সেৱা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি শুনানি গ্ৰহণ।

৩। কোকৰাঝাৰৰ কাৰিগাঁৱৰ পৰিস্থিতি সুস্থিৰ। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ চিৰাঙত পৰিস্থিতি পৰ্যালোচনা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সিদ্ধিদাতা গণেশৰ পূজা-অৰ্চনা। কাইলৈ বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা।

**আৰু**

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ দুখন খেলত আজি পাঞ্জাবৰ বিৰুদ্ধে কেৰালাৰ আৰু ওড়িশাৰ বিৰুদ্ধে মেঘালয়ৰ জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনৰ চতুৰ্থ দিনা স্বাস্থ্য আৰু স্বাস্থ্য সেৱা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসমৰ অগ্ৰাধিকাৰৰ বিষয়সমূহক গোলকীয় মঞ্চলৈ লৈ যোৱাৰ উদ্দেশ্যে ৫ খন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু বিনিয়োগকাৰী সকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে বিশ্বৰ ভালেকেইটা কোম্পানীয়ে অসমৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। বিশ্বৰ বিভিন্ন কোম্পানীয়ে ৰাজ্যখনত প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিছে। ভাৰতৰ প্ৰতিনিধি মণ্ডলীৰ সৈতে ডাভ'ছত এই সন্মিলনত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই বিনিয়োগৰ প্ৰস্তাৱৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ জৰিয়তে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উপকৃত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰে। ইতিমধ্যে এই সন্মিলনত অসমে ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

ooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি অনুষ্ঠিত হয়। শুনানিকালত অভিযুক্ত শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিন আবেদন দুখন প্ৰত্যাহাৰ কৰাৰ বাবে অভিযুক্ত দুজনৰ অধিবক্তাই আদালতৰ অনুমতি বিচাৰে। অসম চৰকাৰক প্ৰতিনিধিত্ব কৰা লোক অধিবক্তা জিয়াউল কামাৰে বিষয়টোৰ বিৰোধিতা নকৰাত আদালতে অভিযুক্ত দুজনৰ জামিন আবেদন প্ৰত্যাহাৰ কৰাৰ অনুমতি প্ৰদান কৰে। ইয়াৰ পাছত এই গোচৰৰ আন ৩ জন অভিযুক্ত অমৃত প্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। শুনানীৰ সময়ত লোক অধিবক্তাই অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰে। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰে। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অহা ৩০ জানুৱাৰীত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ দিন ধাৰ্য কৰে। শুনানিৰ অন্তত গুৱাহাটী উকীল সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়–

**বাইট (অপূৰ্ব কুমাৰ শৰ্মা)**

ooooo

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি মঙলবাৰৰ বিয়লিৰ পৰা সুস্থিৰ হৈ আছে। অঞ্চলটোত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা হোৱা নাই। সুৰক্ষা বাহিনীয়ে অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু আৰক্ষী আৰু সেনা বাহিনীৰ দলে স্পৰ্শকাতৰ এলেকাসমূহত নিয়মীয়াভাৱে পহৰা দি আছে। প্ৰভাৱিত এলেকাৰ প্ৰায় ২৫ খন গাঁৱৰ লোকে সাহায্য শিবিৰত আশ্ৰয় লৈ আছে। এই লোকসকলে নিজ বাসগৃহলৈ উভতি যাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে যদিও নিজ নিজ গাঁওসমূহত পৰ্য্যাপ্ত আৰু স্থায়ী সুৰক্ষা সুনিশ্চিত কৰিবলৈ দাবী জনাইছে। বি টিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধিৰ দলে আজি পুৱা জিলাখনৰ আশ্ৰয় শিবিৰসমূহ পৰিদৰ্শন কৰি শিবিৰত থকা লোকসকলৰ অৱস্থাৰ বুজ লয়। দলটোত বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বি টি চিৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আছিল। জিলাখনত সেনা বাহিনীৰ কটকটীয়া বেষ্টনীৰ মাজত কাৰিগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ চলাচল অব্যাহত আছে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি চিৰাঙত সাংবাদিকৰ আগত কয়, যে তেওঁ বিভিন্ন নাগৰিক সংগঠনসমূহৰ সৈতে কালি কথা-বতৰা পাতি পৰিস্থিতি সুস্থিৰ কৰি ৰখাৰ বাবে আহ্বান জনাইছে। বিগত এদিনত জিলাখনত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা হোৱা নাই বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে আশ্ৰয়শিবিৰসমূহত থকা অধিকাংশ লোকে আজিৰ ভিতৰত নিজ নিজ বাসগৃহলৈ উভতি গৈছে বুলি জানিবলৈ দিয়ে।

-বাইট(জয়ন্ত মল্ল বৰুৱা)-

অঞ্চলটো পৰিদৰ্শন কৰি অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক অখিলেশ সিঙে শিবিৰত থকা লোকসকলক কোনো সংশয় অবিহনে নিজ বাসগৃহলৈ উভতি যাবলৈ আহ্বান জনাইছিল। তেওঁ পৰিস্থিতি স্বাভাৱিক হোৱা বুলি দাবী কৰি জিলাখনত পৰ্যাপ্ত নিৰাপত্তা বাহিনী সক্ষম হৈ থকা বুলিও ৰাইজক আশ্বস্ত কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰী সিঙে কয়, যে এই ঘটনা সন্দৰ্ভত ১৯ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০

জানুৱাৰীৰ বিক্ষিপ্ত ঘটনাত জড়িত তিনিজনক আটক কৰা হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিত হৈ কোকৰাঝাৰৰ ঘটনাত আহত লোকসকলৰ স্বাস্থ্য আৰু চিকিৎসা ব্যৱস্থাৰ বুজ লয়। তেওঁলোকক বিনামূলীয়াকৈ সকলো চিকিৎসা প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সিদ্ধিদাতা গণেশৰ পূজা-অৰ্চনা কৰা হৈছে। গুৱাহাটী মহানগৰীৰ খানাপাৰা, গণেশগুৰি, লতাশিলৰ গণেশ মন্দিৰৰ উপৰি আগিয়াঠুৰিৰ গণেশ মন্দিৰতো বহু লোকে গণেশ দেৱতাৰ পূজা কৰিছে। গুৱাহাটী মহানগৰীত মন্দিৰসমূহত পুৱাৰেপৰা ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে। বাক্সা জিলাৰ ভাৰত-ভুটান সীমান্তৰ নৰ-দিহিৰাত গণেশ পূজা উপলক্ষে পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। বড়ো জনগোষ্ঠীৰ বাথৌ আৰু ব্ৰহ্মধৰ্মীয় মহাযজ্ঞৰে জনগোষ্ঠীয় লোকসকলে পূজা-অৰ্চনা কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজি উদ্যান কৰ্তৃপক্ষই গণেশ চতুৰ্থী উপলক্ষে হস্তী পূজাৰ আয়োজন কৰে। বনকৰ্মীসকলে উদ্যানখনৰ কৰ্তব্যত নিয়োজিত ৬৮ টা হাতীক পূজা-অৰ্চনা আগবঢ়ায়।

ইপিনে, কাইলৈ বিদ্যা আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্ততো এই পূজাৰ আয়োজন কৰা হৈছে। মৃণ্ময় মূৰ্তিক প্ৰাণৱন্ত কৰাৰ বাবে প্ৰতিমা আৰু পূজাৰ সামগ্ৰীৰে মহানগৰীৰ বজাৰ ভৰি পৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূবত সৰস্বতী পূজাৰ বাবে আজিৰে পৰাই উলহ-মালহৰ পৰিবেশ বিৰাজ কৰিছে।

গোৱালপাৰা জিলাতো সৰস্বতী পূজাৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানসমূহত আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। খনিকৰ তথা মৃৎশিল্পীসকলে দেৱীৰ প্ৰতিমাত শেষ পৰশ দিছে। বিশ্বনাথ জিলাতো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাক লৈ আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০

শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত আজি সাংবাদিক, সমাজকৰ্মী ৰবিজিৎ চৌধুৰীৰ সোঁৱৰণত এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। **ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ তিনিটা ভাষা নীতি ঃ পৰৱৰ্তী পদক্ষেপ** শীৰ্ষক বিষয়বস্তুৰে অনুষ্ঠিত এই বক্তৃতা অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড০ নিৰঞ্জন ৰায়ে এই বক্তৃতা অনুষ্ঠানৰ সভাপতিত্ব কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিক্ষামন্ত্ৰীগৰাকীয়ে বৰ্তমান শিক্ষা ব্যৱস্থাত দুটা ভাষাৰ নীতিহে থকাৰ কথা উল্লেখ কৰে। বিভিন্ন ভাষা-ভাষীলোকে পৰিপূৰ্ণ দেশত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কোনো এটা ভাষা জাপি দিয়াৰ নীতি নাই বুলি ড০ পেগুৱে উল্লেখ কৰে।

**বাইট (ড০ পেগু)**

০০০০০

অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ অধ্যক্ষতাত আজি আমবাৰীস্থিত দলৰ মুখ্য কাৰ্য্যালয়ত কেন্দ্ৰীয় সমিতিৰ বৰ্ধিত কাৰ্য্য নিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত আসন্ন বিধানসভা নিৰ্বাচনৰ লগতে দলৰ বিভিন্ন পৰ্য্যায়ৰ সাংগঠনিক বিষয় লৈ আলোচনা কৰা হয়। সভা সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অতুল বৰাই কয়, যে দলটো শিপাৰ সন্ধানত ব্ৰতী হ'ব। তেওঁ লগতে দলীয় কৰ্মীসকলে স্থানীয় পৰ্য্যায়ত দলৰ ভেঁটি শক্তিশালী কৰা আৰু জনসংযোগ বৃদ্ধি কৰাৰ বাবে কাম কৰি আছে। বৈঠকত জয়ৰ সম্ভাৱনা থকা

সমষ্টিবোৰ চিনাক্ত কৰি অগ্ৰাধিকাৰৰ ভিত্তিত কথাবোৰ বিবেচনা কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। আসন্ন বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদ তথা এন ডি এ মিত্ৰজোটৰ সম্ভাৱনা সন্দৰ্ভত মত প্ৰকাশ কৰি তেওঁ এইদৰে কয় -

-বাইট-

সভাত দলৰ জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰী, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, সাধাৰণ সম্পাদক, সম্পাদকসকলৰ আৰু ভাতৃ-ভগ্নী সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰমুখ্যে জিলা সমিতিৰ সভাপতি, সম্পাদকসকল উপস্থিত থাকে।

ooooo

চিৰাং জিলাৰ চিদলী-চিৰাং বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৬৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰা হয়। জিলাখনৰ সুভাইঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এই উপলক্ষে আয়োজিত অভিযানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। শ্ৰীমহিলাৰীয়ে মহিলাসকলক প্ৰাৰম্ভিক পুঁজিৰ ধনৰাশি উচিত কামত ব্যৱহাৰ কৰি স্বাৱলম্বনৰ পথ মুকলি কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে চৰকাৰৰ এই পদক্ষেপে মহিলাসকলক ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰা, ক্ষুদ্ৰ ব্যৱসায় বিস্তাৰ কৰা আৰু পৰিয়ালৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰিব। মহিলাসকলৰ উদ্যমী মনোভাৱ তথা অৰ্থনৈতিক সবলীকৰণে সমাজখনক অধিক শক্তিশালী কৰি তুলিব বুলি শ্ৰীমল্লবৰুৱাই আশা প্ৰকাশ কৰে। মহিলাসকলৰ আত্মনিৰ্ভৰশীলতাৰ দিশত এই আঁচনি দূৰদৰ্শী পদক্ষেপ হিচাপে চিহ্নিত হৈ ৰ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই আঁচনিয়ে তেওঁলোকৰ সপোন, আৰু সম্ভাৱনাক নতুন গতি দিয়াৰ লগতে সামাজিক মৰ্যাদা প্ৰদান কৰিব।

ooooo

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটত বিকশিত ভাৰত জি ৰামজী আইন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। এই আইনে শ্ৰমিকসকলক পূৰ্বৰ ১০০ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ নিয়োগ নিশ্চিতি প্ৰদান কৰিব। নতুন আইনখনৰ অধীনত খেতিৰ বতৰত কৃষি কাৰ্য্যকো সাঙুৰি লোৱা হ'ব আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে সমগ্ৰ প্ৰক্ৰিয়াটো অধিক স্বচ্ছ কৰি তোলা হ'ব। ইয়াৰ উপৰি গ্ৰামাঞ্চলৰ দীৰ্ঘকালীন সমৃদ্ধিত সহায় হোৱাকৈ স্থায়ী সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব। জনসাধাৰণৰ প্ৰত্যক্ষ অংশীদাৰিত্ব, স্বচ্ছ প্ৰশাসন ব্যৱস্থা আৰু গ্ৰামাঞ্চলৰ সম্পদ গঢ় দিয়াৰ লক্ষ্যৰে এই আইন ৰূপায়ণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এই আইনৰ ৰূপায়ণৰ বিভিন্ন দিশ সম্পৰ্কে সাংবাদিকক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে আজি যোৰহাট কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকক ভৱিষ্যৎ গঢ়াৰ বাবে আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। এই মত বিনিময় অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা উপস্থিত থাকে।

ooooo

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে এই মেলা আৰম্ভ হয়। গোভা ৰজা দীপসিং দেওৰজাই বন্তি প্ৰজ্বলনেৰে মেলাৰ শুভাৰম্ভ কৰে। মেলাথলীত আজি সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা আৰু দীপসিং দেওৰজাৰ লগতে

মধ্য অসমৰ ২১ গৰাকী তিৰা ৰজাই শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে মেলাৰ বৰঘৰ, ডেকাচাং, চাংঘৰ আদি পৰম্পৰাগত গৃহ মুকলি কৰে। আজি পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। কাইলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচ-কাৱাজৰ অনুশীলন কৰি থকা হৈছে। বজালী জিলা প্ৰশাসনৰ উদ্যোগত এইবাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে ইতিমধ্যে কুচ-কাৱাজৰ অনুশীলন আৰম্ভ হৈছে। আজি জিলাখনৰ ৭ খন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে আৰক্ষী জোৱানে কুছ-কাৱাজৰ অনুশীলনত ভাগ লয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰবৰ্তীয়ে অনুশীলন প্ৰত্যক্ষ কৰাৰ লগতে যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সেইদিনা জিলা প্ৰশাসনিক বিষয়া আৰু সংবাদ মাধ্যমৰ লোকৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ আশাৰীকান্দি গাঁৱৰ ঐতিহ্যমণ্ডিত পোৰামাটিৰ শিল্প এইবাৰ নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচ-কাৱাজত প্ৰদৰ্শন কৰা হ'ব।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি চিলা পথাৰত অনুষ্ঠিত দুখন খেলৰ এখনত কেৰালা দলে পাঞ্জাৱক ৩-১ গ'লৰ ব্যৱধানত আৰু আনখনত মেঘালয়ে ওড়িশাক ১-০ গ'লত পৰাস্ত কৰে। পাঞ্জাৱ আৰু কেৰালাৰ মাজৰ খেলখনত কেৰালাই প্ৰথমাৰ্ধৰ পৰাই আধিপত্য বিস্তাৰ কৰে আৰু যতীন্দৰ সিং ৰাণাই হেডেৰে দিয়া গ'লৰ সহায়ত ১ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত যোৱা বাৰৰ ৰাণাৰ্ছ আপ কেৰালা দলে নিজৰ চন্দ ঘূৰাই পায় আৰু খেলৰ ৫৫ মিনিটত মনোজ এমৰ গ'লেৰে সমতা স্থাপন কৰে। পাছত মহম্মদ আজছলে ৫৮ আৰু ৬২ মিনিটত দুটা গ'ল দি কেৰালাৰ বিজয় নিশ্চিত কৰে। মেঘালয় আৰু ওড়িশাৰ মাজৰ খেলখনত বেবিচান্দে ২৩ মিনিটত দিয়া একমাত্ৰ গ'লেৰে মেঘালয়ে ওড়িশাক পৰাভূত কৰি ৩ পইণ্ট অৰ্জন কৰে।

ইপিনে, ঢকুৱাখনাত ৰে'লৱে আৰু চাৰ্ভিছেছ দলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ খেলখন ১-১ গ'লত অমীমাংসিত হয়। প্ৰতিযোগিতাত কাইলৈ ঢকুৱাখনাত হ'বলগীয়া এখন খেলত ঘৰুৱা দল অসম নাগালেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত